**2023**

# HISTORY

## ( Honours Generic/Regular Course )

Paper : HIS–HG/RC–4016

**( Social and Economic History of Assam )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**1.** Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ লিখা :

Fill in the blanks :

খালী ঠাই পূৰণ কৰা :

*(a)* Kundil Nagara, the kingdom of Bhismaka was situated in the ______ district of modern Assam.

ভীষ্মক ৰজাৰ ৰাজ্য কুণ্ডিল নগৰ আজিৰ অসমৰ ______ জিলাত অৱস্থিত।

(b) The marriage rite of the Ahoms was called as ______.

আহোমসকলৰ বিবাহ পদ্ধতিক ______ বুলি জনা যায়।

(c) ______ was the first modern drama in Assamese composed by Gunabhiram Barua.

______ হ'ল গুনাভিৰাম বৰুৱাই ৰচনা কৰা প্ৰথমখন অসমীয়া আধুনিক নাটক।

Answer very briefly :

অতি চমুকৈ উত্তৰ দিয়া :

(d) Write the name of the king who issued the Badaganga inscription.

বদগংগা শিলালিপি জাৰি কৰা শাসকজনৰ নাম লিখা।

(e) Write the name of the deity worshipped by the Salastambha dynasty.

শালস্তম্ভ বংশই উপাসনা কৰা দেৱতাজনৰ নাম লিখা।

(f) Who were the Deodhais?

দেওধাইসকল কোন আছিল?

(g) Who were the Khargharias?

খাৰঘৰীয়াসকল কোন আছিল?

(h) Who were Chamua Paiks?

চমুৱা পাইকসকল কোন আছিল?

*(i)* What is Gogona?

গগনা কি ?

*(j)* Name the first Assamese literary association which was formed at Calcutta in 1872.

কলিকতাত ১৮৭২ চনত গঠন হোৱা প্ৰথম অসমীয়া সাহিত্য সংগঠনটোৰ নাম লিখা।

**2.** Answer the following : 2×5=10

তলত দিয়াবোৰৰ উত্তৰ লিখা :

*(a)* Match the following :

তলত দিয়াসমূহৰ মিল দেখুওৱা :

| | | | |
|---|---|---|---|
| *(i)* | Charu<br>চৰু | (1) | Small earthen pots made for common use of the common people<br>সৰ্বসাধাৰণৰ ব্যৱহাৰৰ বাবে তৈয়াৰী সৰু মাটিৰ বাচন |
| *(ii)* | Tekeli<br>টেকেলী | (2) | A class of professionals expert in weaving<br>বৃত্তিগতভাৱে বোৱা-কটাত নিয়োজিত শ্ৰেণী |
| *(iii)* | Hira<br>হিৰা | (3) | Earthen cooking vessels made by potters<br>ৰন্ধন কাৰ্যত ব্যৱহৃত কুমাৰে তৈয়াৰ কৰা মাটিৰ বাচন |
| *(iv)* | Tanti<br>তাঁতি | (4) | Earthen pot maker<br>মাটিৰ বাচন নিৰ্মাতা |

*(b)* What were the two divisions of Kaivartas of ancient Assam?

প্ৰাচীন অসমৰ কৈবৰ্তসকলৰ ভাগ দুটা কি কি আছিল ?

(c) Define Debottar and Dharmottar lands.

দেবোত্তৰ আৰু ধৰ্মোত্তৰ ভূমি বুলিলে কি বুজাই?

(d) In which year was the Assam Oil Company formed? Where was its first headquarters located?

অসম তেল কোম্পানী কোন চনত গঠন হৈছিল? ইয়াৰ প্ৰথম মুখ্য কাৰ্যালয় ক'ত আছিল?

(e) Name any two Assamese of the 19th Century who were proponents of widow remarriage.

ঊনবিংশ শতিকাৰ বিধবা বিবাহ সমৰ্থন কৰা যি কোনো দুজন অসমীয়া ব্যক্তিৰ নাম লিখা।

3. Write short notes on any *four* of the following : 5×4=20

তলত দিয়াবোৰৰ যি কোনো **চাৰিটাৰ** ওপৰত চমু টোকা লিখা :

(a) Rural life of early Assam

প্ৰাচীন অসমৰ গ্ৰাম্য জীৱন

(b) Beliefs and practices of early Assam

প্ৰাচীন অসমৰ বিশ্বাস আৰু আচাৰ নীতিসমূহ

(c) Posa system

পচা প্ৰথা

(d) Satra institutions of medieval Assam

মধ্যযুগৰ অসমৰ সত্ৰ অনুষ্ঠানসমূহ

(e) Tea industry and the growth of transport and communication in Assam

চাহ উদ্যোগ আৰু অসমৰ যাতায়াত আৰু পৰিবহণ ব্যৱস্থাৰ উন্নয়ন

(f) Assamese newspapers of early 20th Century

বিংশ শতিকাৰ প্ৰাৰম্ভিক কালছোৱাৰ অসমীয়া বাতৰিকাকত

4. Answer the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা :

(a) Write a note on the Aryanization debate of Assam.

অসমৰ আৰ্যকৰণ বিতৰ্কৰ ওপৰত এটি টোকা লিখা।

*Or / অথবা*

Discuss the growth of urban centres of ancient Assam.

প্ৰাচীন অসমৰ নগৰ কেন্দ্ৰসমূহৰ বিকাশৰ বিষয়ে আলোচনা কৰা।

(b) "It was the Paik system that determined the social structure of the Assamese society during medieval times." Do you agree? Give your justification.

"মধ্যযুগৰ অসমীয়া সামাজিক ব্যৱস্থাৰ গঠন পাইক প্ৰথাই নিৰ্ধাৰণ কৰিছিল।" তুমি এই কথাত সন্মতনে? যুক্তি প্ৰদৰ্শন কৰা।

*Or / অথবা*

Write a note on trade and commerce in medieval Assam.

মধ্যযুগীয় অসমত বেপাৰ আৰু বাণিজ্যৰ বিষয়ে এটা টোকা লিখা।

(c) Critically analyze the revenue measures of the British Government in the 19th Century Assam.

ঊনবিংশ শতিকাত বৃটিছে গ্ৰহণ কৰা ৰাজহ ব্যৱস্থাৰ বিষয়ে এক সমালোচনামূলক বিশ্লেষণ আগবঢ়োৱা।

*Or / অথবা*

Critically analyze the role of the colonial government in the growth of the fossil industries with special reference to oil and coal in Assam.

তেল আৰু কয়লাৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰি ঔপনিৱেশিক চৰকাৰৰ অসমত ইন্ধন উদ্যোগৰ বিকাশত লোৱা ভূমিকাৰ বিষয়ে এক বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱা।

(d) Critically analyze the language controversy in the 19th Century Assam.

ঊনবিংশ শতিকাৰ অসমত হোৱা ভাষা বিষয়ক বিতৰ্কৰ এক সমালোচনাত্মক আলোচনা কৰা ।

*Or / অথবা*

Write a note on the impact of western education in the growth of Assamese middle class.

অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ উত্থানত পশ্চিমীয়া শিক্ষাৰ প্ৰভাৱৰ ওপৰত এটি টোকা লিখা ।

★★★